**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2024
**Time :** 1715Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুনকৈ নিৰ্বাচিত হোৱা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীক কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে নিযুক্তি পত্ৰ বিতৰণ কৰিব। দেশৰ ৪০টা স্থানত আয়োজিত ৰোজগাৰ মেলাৰ জৰিয়তে কাইলৈ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত এইসকল প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই ৰোজগাৰ মেলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিয়োগ সৃষ্টিৰ অগ্ৰাধিকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এনে ধৰণৰ মেলাই দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ নিৰ্মাণত অৰিহণা যোগাবলৈ সুবিধা প্ৰদান কৰে। নতুনকৈ নিযুক্তি পোৱা প্ৰাৰ্থীসকলে iGOT কৰ্মযোগী প'ৰ্টেলৰ যোগেদি অনলাইন মাধ্যমেৰে প্ৰাথমিক প্ৰশিক্ষণ গ্ৰহণ কৰাৰ সুবিধা ল'ব পাৰিব। দেশৰ যুৱ প্ৰজন্মই বিকশিত ভাৰত নিৰ্মাণৰ দিশত প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুবিধা লাভ কৰাৰ বাবে এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম এই কৰ্মযোগী প'ৰ্টেলৰ জৰিয়তে গ্ৰহণ কৰিব পাৰিব।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত কাইলৈ পুৱা চাৰে ১০ বজাৰ পৰা ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিবলগীয়া এই মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত উপস্থিত থাকিব।

০০০০০০০

পোহৰৰ উৎসৱ দিপাৱলী উপলক্ষে ৰাজ্যৰ কেইবাখনো জিলাত অহা ১ নৱেম্বৰৰ দিনটো স্থানীয় বন্ধ হিচাপে ঘোষণা কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনেও এই সন্দৰ্ভত জাননী জাৰি কৰিছে। শিৱসাগৰ জিলা আয়ুক্তইও এই দিনটো স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। এই দিনটোত ৰাজ্য চৰকাৰৰ সকলো কাৰ্যালয়, শৈক্ষিক প্ৰতিষ্ঠান, বিত্তীয় প্ৰতিষ্ঠান, সমবায় বেংক আদি বন্ধ থাকিব।

সেউজ দীপাৱলী উদযাপন কৰাৰ লক্ষ্যৰে যোৰহাট জিলা প্ৰশাসন, আৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত যোৰহাট নগৰত সজাগতামূলক পদযাত্ৰা কৰা হয়। জিলা আয়ুক্তই এই কাৰ্যসূচীৰ উদ্বোধন কৰে।

আনহাতে, দিপাৱলী উপলক্ষে ৰাজ্যৰ মৃৎ শিল্পীসকলো ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। পৰম্পৰাগত মৃৎ শিল্পৰ বাবে সমাদৃত ধুবুৰীৰ গৌৰীপুৰৰ আশাৰিকান্দি তেৰাকটা শিল্প গাঁৱৰ মুঠ ১৬০টা পৰিয়ালে বিভিন্ন ধৰণৰ মাটিৰ চাকি নিৰ্মাণ কৰিছে।

০০০০০০০

বৰপেটা জিলাত আজি বৰবিলাৰ শ্ৰীশ্ৰী পখলা গোঁসাই সভা মহোৎসৱ অনুষ্ঠিত হয়। কালিৰে পৰা আৰম্ভ হোৱা এই মহোৎসৱৰ আজি মূল সভা অনুষ্ঠিত হয়। মূলতঃ এই সভাত ভগৱান বিষ্ণুক আৰাধনা কৰা হয়। কিয়নো

পখলা গোঁসাইক ভগৱান বিষ্ণুৰ অংশ হিচাপে গণ্য কৰা হয়। ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ পৰা ভক্তসকল এই মহোৎসৱলৈ অহা পৰিলক্ষিত হৈছে।

০০০০০০০

সমগ্ৰ দেশতে আজিৰে পৰা ৰাজহুৱা জীৱনত সততা আৰু এখন দুৰ্নীতিমুক্ত সমাজৰ বাবে তদাৰকী সজাগতা সপ্তাহ ২০২৪ পালন কৰা হৈছে। এই সপ্তাহৰ মূল বিষয়বস্তু হৈছে দেশৰ সমৃদ্ধিৰ বাবে সাংস্কৃতিক সমন্বয়। ৰাজহুৱা প্ৰশাসন আৰু চৰকাৰী কামকাজৰ স্বচ্ছতা আৰু নীতি প্ৰয়োজনীয়তাৰ বাবে এই সপ্তাহ পালন কৰা হৈছে। এই সপ্তাহত বিভিন্ন মন্ত্ৰ্যালয়, বিভাগ, ৰাজহুৱা প্ৰতিষ্ঠান, বেংক আৰু বিভিন্ন সংস্থাৰ বিষয়া-কৰ্মচাৰীসকলে শপতগ্ৰহণ কৰিব। দুৰ্নীতিৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ বাবে এই সপ্তাহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ভাৰতৰত্ন চৰ্দাৰ বল্লবভাই পেটেলৰ জয়ন্তীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে এই তদাৰকী সজাগতা সপ্তাহ পালন কৰা হয়। আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত এই সপ্তাহ উপলক্ষে বিষয়া-কৰ্মচাৰীসকলক একতাৰ শপতবাক্য পাঠ কৰায়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰ পৰা সতৰ্কতা-সজাগতা সপ্তাহ পালন কৰা হৈছে। এই সপ্তাহৰ সৈতে সংগতি ৰাখি আকাশবাণী আৰু দুৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত সতৰ্কতা সম্পৰ্কীয় বিশেষ কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুৰদৰ্শন কেন্দ্ৰ গুৱাহাটী, আকাশবাণী তথা দুৰদৰ্শনৰ মাণ্ডলিক কাৰ্যালয়ৰ তিনিটা দলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। স্বন্দীপ সেনগুপ্ত, ইন্দ্ৰজিত দাস আৰু গৌতম বিশ্বাসৰ দ্বাৰা গঠিত আকাশবাণী গুৱাহাটীৰ দলে চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে। আকাশবাণী আৰু দুৰদৰ্শনৰ মাণ্ডলিক কাৰ্যালয়ৰ দলে দ্বিতীয় আৰু দুৰদৰ্শন কেন্দ্ৰ গুৱাহাটীৰ দলে তৃতীয় স্থান লাভ কৰে।

০০০০০০০

নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্প অহা ৩০ অক্টোবৰৰ পৰা ২০২৪-২৫ বৰ্ষৰ বাবে দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। পশ্চিম অসম বন্যপ্ৰাণী বিভাগৰ বন সংৰক্ষক তথা নামেৰি ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ পৰিচালকে এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা একতাৰ দৌৰ ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই কথা ঘোষণা কৰি কয় যে এইবাৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী দীপাৱলী উৎসৱৰ সৈতে একে সময়তে হোৱাৰ বাবে একতাৰ দৌৰ কাইলৈ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক দলে-বলে ওলাই আহি এই দৌৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্যৰ মন্ত্ৰৰ লগতে সুস্বাস্থ্যৰ মন্ত্ৰক সকলোৰে মাজত বিয়পাই দিবলৈ আহ্বান জনায়। অৱশ্যে লৌহ মানৱগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাষ্ট্ৰীয় একতা দিৱসৰ প্ৰতিজ্ঞা গ্ৰহণৰ কাৰ্যসূচী প্ৰতিবছৰৰ দৰে ৩১ অক্টোবৰত পালন কৰা হ'ব।

০০০০০০০

**সমাপ্ত**